**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-05-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। লোকসভা নিৰ্বাচনৰ পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে ভিন ভিন ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পশ্চিম বংগত, কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেৰ মহাৰাষ্ট্ৰত আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ দেশৰ ৰাজধানী চহৰত প্ৰচাৰ সভাত অংশগ্ৰহণ।

৩। কাইলৈ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ। ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিত ভোটগ্ৰহণৰ প্ৰস্তুতি  সম্পন্ন।

৪। আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ উদ্যোগত তিনিদিনীয়াকৈ অনুষ্ঠিত অষ্টম নৰ্থ-ইষ্ট ছিনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি সামৰণি।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছৰ চেন্নাই ছুপাৰ কিংছক ১৪২ ৰাণৰ বিজয়লক্ষ্য নিৰ্দ্ধাৰণ।  দ্বিতীয়খন খেলত দেলহি কেপিটেলছ-ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি।

০০০০০০০

কাইলৈ লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ প্ৰচাৰ অভিযান কালি সন্ধিয়া ৬ বজাত অন্ত পৰে। কাইলৈ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ কাৰণে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনত বহুকেইগৰাকী প্ৰভাৱশালী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। ইয়াৰ ভিতৰত প্ৰাক্তন মুখ্যমন্ত্ৰী অখিলেশ যাদৱ অন্যতম। সমাজবাদী  পাৰ্টীৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কনৌজ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। শ্ৰীযাদৱৰ বিৰুদ্ধে বিজেপিয়ে বৰ্তমানৰ সাংসদ সুব্ৰত পাঠকে প্ৰতিদ্বন্দ্বিতা কৰিছে। উল্লেখযোগ্য যে সমাজবাদী পাৰ্টীৰ একালৰ দুৰ্গস্বৰূপ কনৌজত ২০১৯ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সমাজবাদী পাৰ্টীৰ ডিম্পল যাদৱ সুব্ৰত পাঠকৰ বিৰুদ্ধে পৰাস্ত হৈছিল।

একেদৰে, কাইলৈ তৃণমূল কংগ্ৰেছৰ নেত্ৰী মহুৱা মৈত্ৰৰ ভাগ্যও নিৰ্ণয় হ'ব। পশ্চিম বংগৰ কৃষ্ণনগৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা শ্ৰীমৈত্ৰৰ বিৰুদ্ধে বিজেপি প্ৰাৰ্থী ৰাজমাতা অমৃতা ৰয় অৱতীৰ্ণ হৈছে। অভিনয় জগতৰ পৰা ৰাজনীতিত খোজ দিয়া শত্ৰুঘ্ন সিনহাইও তৃণমূল কংগ্ৰেছৰ পৰাই আছানচোল সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পশ্চিম বংগৰ বেৰহামপুৰ সমষ্টিত প্ৰভাৱশালী বিজেপি প্ৰাৰ্থী নিৰ্মল কুমাৰৰ বিৰুদ্ধে কংগ্ৰেছ প্ৰাৰ্থী অধীৰ ৰঞ্জন চৌধুৰী আৰু তৃণমূল কংগ্ৰেছৰ নেতা ইউচুফ পাঠান অৱতীৰ্ণ হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী তথা ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰ্জুন মুণ্ডাৰ ভাগ্যও সোমবাৰে ইভিএমত বন্দী হ'ব। শ্ৰীমুণ্ডাই ঝাৰখণ্ডৰ খুমটি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, বিহাৰৰ বেগুচৰাই সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। শ্ৰীসিঙৰ হৈ কালি প্ৰচাৰৰ অন্তিম দিনা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলায়।

অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ওৱাই এছ জগনৰেড্ডীৰ ভগ্নী ওৱাই এছ শৰ্মিলাই অন্ধ্ৰ প্ৰদেশৰ কড়াপ্পা সমষ্টিৰ পৰা কংগ্ৰেছ  দলৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, তেলেংগানাত হায়দৰাবাদ সমষ্টিৰ পৰা তেলেগু অভিনেত্ৰী মাধৱীলতাই বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

উল্লেখযোগ্য যে দেশৰ সাধাৰণ নিৰ্বাচনৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে। চতুৰ্থ পৰ্যায়ত মুঠ এহেজাৰ ৭১৭গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টি, ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু সপ্তম পৰ্যায়ত ১ জুনত আৰু ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অহা ৪ জুনত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে কালি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে দেশৰ বিভিন্ন ঠাইত ভিন ভিন ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান পূৰ্ণগতিত অব্যাহত ৰাখিছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি পশ্চিমবংগৰ হুগলীত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি অনুসূচিত জনজাতি উন্নয়নৰ বাবে বিজেপি চৰকাৰৰ দিনত বাজেট বৃদ্ধি কৰা বুলি দাবী কৰে। জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে আৰমবাগ লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ দৰে মহান ব্যক্তিত্বৰ আদৰ্শেৰে পৰিচালিত পশ্চিম বংগত তৃণমূল কংগ্ৰেছৰ চৰকাৰে শিক্ষা ব্যৱস্থাক সম্পূৰ্ণ বিপথে পৰিচালিত কৰিছে বুলি দাবী কৰে। বিজেপি নেতাগৰাকীয়ে ৰাজ্যখনৰ স্বাস্থ্য সম্পৰ্কীয় আন্তঃগাঁথনি তেনেই দুৰ্বল বুলি মত প্ৰকাশ কৰি ৰাজ্যখনত শাসনাধিষ্ঠিত চৰকাৰখনক ইয়াৰ বাবে জগৰীয়া কৰে। শ্ৰীমোডীয়ে ইয়াৰ পিছত হাওৰাত অন্য এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপি নেতা অমিত শ্বাহে উত্তৰ প্ৰদেশৰ কৌশাম্বিৰ পৰা বিজেপি প্ৰাৰ্থী বিনোদ সুনকাৰৰ সমৰ্থনত নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰীশ্বাহে পাক অধিকৃত কাশ্মীৰ অচিৰেই পুনৰ অধিগ্ৰহণ কৰা হ'ব বুলি দাবী কৰে।

ইফালে, ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসেও নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিবলৈ পশ্চিম বংগৰ কলকাতাত উপস্থিত হৈছে। বিজেপিৰ নেতাগৰাকীয়ে আজি দলটোৰ কলকাতাৰ কাৰ্যালয়ত দলীয় নেতা-কৰ্মীসকলৰ সৈতে নিৰ্বাচনী আলাপ-আলোচনাত অংশগ্ৰহণ কৰে।

আম আদমী পাৰ্টিৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে লোকসভা নিৰ্বাচনত জয়ী হ'লে ১০টা নিশ্চয়তা পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। আম আদমী পাৰ্টিৰ নেতাগৰাকীয়ে বিদ্যুৎ, পানী, স্বাস্থ্য, শিক্ষা আৰু কৰ্মসংস্থাপনৰ দিশত পদক্ষেপ লোৱাৰ বিষয়ে নিৰ্বাচনী প্ৰচাৰত উল্লেখ কৰে। দলটোৰ কাৰ্যালয়ত পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা জ্যেষ্ঠ নেতৃত্ব ভগৱন্ত মানৰ সৈতে এখন সংবাদ মেলক সম্বোধন কৰি শ্ৰীকেজৰিৱালে ১০টা নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰে। সমগ্ৰ দেশতে দুখীয়া লোকক বিনামূলীয়া বিদ্যুৎ যোগান ধৰাৰ লগতে বিশ্বমানৰ চৰকাৰী বিদ্যালয় নিৰ্মাণৰ বিষয়েও শ্ৰীকেজৰিৱালে উল্লেখ কৰে। ইয়াৰ লগতে আম আদমী পাৰ্টিৰ

নেতাগৰাকীয়ে দাবী কৰে যে চীনে দখল কৰা ভাৰতৰ ভূমি মুক্ত কৰিবলৈ সেনাবাহিনীক সম্পূৰ্ণ স্বাধীনতা দিয়া হ'ব।

ইফালে, জ্যেষ্ঠ কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গে আজি মহাৰাষ্ট্ৰৰ ধুলেত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি শাসনাধিস্থ বিজেপি চৰকাৰখনৰ তীব্ৰ সমালোচনা কৰে। শ্ৰীখাৰ্গেই ন্যায় ব্যৱস্থাত অংশীদাৰিত্ব সুনিশ্চিত কৰিবলৈ জাতিগত জনগণনা জৰুৰী বুলি দাবী কৰে।

oooooooo

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা উদ্যানৰ দুৱাৰ অহা ১৫ মে'ৰ পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব। বিগত বৰ্ষৰ ১৫ অক্টোবৰত মুকলি হোৱা ২০২৩-২৪ পৰ্যটন বৰ্ষৰ অহা ১৫ মে'ত অন্ত পৰিব। ইতিমধ্যে যোৱা পহিলা মে'ৰ পৰা উদ্যানখনত হাতী চাফাৰী বন্ধ কৰি দিয়া হৈছে। ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। এই পৰ্যটন বৰ্ষটোত বৰ্তমানলৈকে ৩০ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটককে ধৰি ৩ লাখ ২৭ হাজাৰ ৪৯০ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্য লাভ কৰা হৈছে। এই সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই ৮ কোটি ৮০ লাখ টকাৰ ৰাজহ লাভ কৰিছে।

ooooooooo

আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ উদ্যোগত গুৱাহাটী নেহৰু ষ্টেডিয়ামৰ দেশভক্ত তৰুণৰাম ফকুন ইনডৰ ষ্টেডিয়ামত যোৱা শুকুৰবাৰৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত অষ্টম নৰ্থ-ইষ্ট ছিনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি সামৰণি পৰিব। এই প্ৰতিযোগিতাত পুৰুষ ৫৫ বছৰ ডাবলছ শাখাত অসমৰ বিজয় কুমাৰ বৰ্মন আৰু ধ্ৰুব শৰ্মা বিজয় হৈছে। একেদৰে পুৰুষৰ ৪৫ বছৰ ডাবলছ শাখাত নাগালেণ্ডৰ বেনডাংন'চেত আৰু টাজেনকাৱা আওৱে জয়লাভ কৰিছে। এই শিতানত অসমৰ অজন্তা চৌধুৰী আৰু বিষ্ণু ডেকাই ৰাৰ্ণাছআপৰ সন্মান লাভ কৰিছে। ৪০ বছৰ পুৰুষৰ ডাবলছ শাখাত মিজোৰামৰ লালমুৱানাওমা আৰু লালৰিনদিকা ৰালটে বিজয় হোৱাৰ বিপৰীতে পুৰুষৰ ৩৫ বছৰ ডাবলছ শাখাতো মিজোৰামৰ লালমুৱানাওমা ছেমুৱেল লালনুনমাউয়াই জয়লাভ কৰিছে। খেলসমূহ এতিয়াও অব্যাহত আছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত উত্তৰ-পূৰৰ লগতে ভূটান, নেপালৰ খেলুৱৈয়ে অংশ লৈছে। সন্ধিয়া ৬ বজাৰ পৰা এই প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হৈছে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চেন্নাইৰ এম চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। প্ৰথমে বেট ধৰি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৪১ ৰাণ কৰিবলৈ সমৰ্থ হয়। বাতৰি যুগুত কৰাৰ পৰলৈকে ১৪২ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি চেন্নাই চুপাৰ কিংছে ১৬ অভাৰত পাঁচটা উইকেটত ১১৬ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ইফালে, বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, ডেলহি কেপিটেলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooooooo

ৰাজ্যৰ ৪টা সমষ্টিত অনুষ্ঠিত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণত ৮৫ শতাংশৰো অধিক ভোটদান, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা, অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ

ফলাফল ঘোষণা, দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ অন্তৰ্বৰ্তীকালীন জামিন মঞ্জুৰকে ধৰি কেইবাটাও উল্লেখযোগ্য বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

ৰাজ্যখনত দুটা পৰ্যায়ত ১৯ আৰু ২৬ এপ্ৰিলত লোকসভা নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন হোৱাৰ পাছত যোৱা ৭ মে'ত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন হয়। ভোটগ্ৰহণৰ প্ৰস্তুতি, শীৰ্ষ নেতাসকলৰ প্ৰচাৰকে ধৰি বিভিন্ন বাতৰি আঞ্চলিক বাতৰিত সবিস্তাৰে প্ৰকাশ কৰা হয়। ৭ মে'ত ৪টা সমষ্টিত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন হোৱাৰ লগে লগে ৰাজ্যখনৰ ১৪টা সমষ্টিত ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী হৈছে। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৫টা সমষ্টি কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। আনহাতে দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ৬১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। তৃতীয় পৰ্যায়ত কালি ৪টা সমষ্টিত ৪৭ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। শেহতীয়া তথ্য অনুসৰি তৃতীয় পৰ্যায়ত ৰাজ্যখনত ৮৫ দশমিক ৪-৫ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ইপিনে, ভোটগ্ৰহণ হোৱাৰ পাছত ই ভি এমসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ষ্ট্ৰং ৰুমত ৰখা হৈছে। ৰাজ্যখনত তিনিওটা পৰ্যায়ৰ নিৰ্বাচনৰ পাছত ই ভি এমসমূহ ৫০টা ষ্ট্ৰং ৰুমত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে ইয়াৰ প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰ চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে।

০০০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলসমূহ যোৱা ৯ মে'ত ঘোষণা কৰা হয়। এইবাৰ শীৰ্ষস্থান অবিহনে এই পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। ফলাফল অনুসৰি কলা শাখাত ৮৯ দশমিক ১-৮ শতাংশ, বিজ্ঞান শাখাত ৮৯ দশমিক ৮-৮ শতাংশ, বাণিজ্য শাখাত ৮৭ দশমিক ৮-০ শতাংশ আৰু বৃত্তিমুখী শাখাত ৮৫ দশমিক ৭-৮ শতাংশ পৰিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰা মতে এইবেলি পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ২ লাখ ৭৩ হাজাৰ ৯০৮ গৰাকী পৰিক্ষাৰ্থীৰ মাজৰ পৰা ২ লাখ ৪২ হাজাৰ ৭৯৪ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে।

০০০০০০০

অসম লোকসেৱা আয়োগে যোৱা ৯ মে'ত ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। এই অনুসৰি মূল পৰীক্ষাৰ বাবে সৰ্বমুঠ দুহেজাৰ ৮৯৮গৰাকী পৰিক্ষাৰ্থীয়ে যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ ভিতৰত ৭১৯গৰাকী মহিলা, ১০৬গৰাকী বিশেষভাৱে সক্ষম আৰু ১০২গৰাকী প্ৰাক্তন সৈনিক পৰিক্ষাৰ্থীও আছে। পোনপ্ৰথমবাৰৰ বাবে পৰীক্ষাটোত মৰাণ, মটকৰ বাবে সংৰক্ষণ কৰা পদৰ বিপৰীতেও প্ৰাৰ্থীয়ে মূল পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে, ৰাজ্যৰ ৩২খন জিলাৰ ১১৬টা কেন্দ্ৰত সৰ্বমুঠ ২৩৫টা পদৰ বিপৰীতে অনুষ্ঠিত হোৱা এই পৰীক্ষাত ৬৭ হাজাৰ ২৯১গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে। আয়োগৰ এক বিবৃতি অনুসৰি জুলাই মাহৰ শেষ ভাগত মূল পৰীক্ষা অনুষ্ঠিত হ'ব। মূল পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ ইংৰাজীৰ লগতে অসমীয়াতো উপলব্ধ হ'ব। পৰিক্ষাৰ্থীসকলে অসমীয়া মাধ্যমতো উত্তৰসমূহ লিখিব পাৰিব।

০০০০০০০

উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ অন্তৰ্বৰ্তীকালীন জামিন যোৱা শুকুৰবাৰে মঞ্জুৰ কৰে। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু দিপাংকৰ দত্তৰ খণ্ড বিচাৰপীঠৰ আদালতে

সুৰা নীতি গোচৰত তিহাৰ জেলত বন্দী হৈ থকা কেজৰিৱালৰ অন্তৰৰ্তীকালীন জামিন অহা ১ জুনলৈ মঞ্জুৰ কৰিছে। ২ জুনত কেজৰিৱালক জেল কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ আদালতে নিৰ্দেশ দিছে। আদালতত দুয়ো পক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ অন্তত ন্যায়াধীশদ্বয়ে দিল্লীৰ মুখ্যমন্ত্ৰী শ্ৰী কেজৰিৱালৰ জামিন আবেদন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে যোৱা ২১ মাৰ্চত বিধি বলৱৎকাৰী সঞ্চালকালয়ে সুৰা নীতিৰ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। ইপিনে কেজৰিৱালৰ জামিন মঞ্জুৰ কৰাৰ পাছতে আম আদমি পাৰ্টীয়ে উচ্চতম ন্যায়ালয়ক ধন্যবাদ জ্ঞাপন কৰে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা বৃহস্পতিবাৰে দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰে। শ্ৰীমতী মুৰ্মুৱে প্ৰখ্যাত শিল্পী ড০ বৈজয়ন্তীমালা বালী আৰু টেলেগু চলচ্চিত্ৰ অভিনেতা ক'নিদেলা চিৰঞ্জীৱিক পদ্ম বিভূষণ সন্মানেৰে সন্মানিত কৰে। আনহাতে এচিয়াৰ প্ৰথমগৰাকী উচ্চতম ন্যায়ালয়ৰ মহিলা ন্যায়াধীশ এম ফাটিমা বিবিক মৰোনোত্তৰভাৱে পদ্মভূষণ প্ৰদান কৰা হয়। বিশিষ্ট হৃদৰোগ বিশেষজ্ঞ ডাঃ অশ্বিন বালাচান্দ মেহতা, প্ৰবীন ৰাজনৈতিক নেতা অ' ৰাজাগোপালক এই সন্মান প্ৰদান কৰা হয়। ইপিনে আধ্যাত্মিকতাৰ ক্ষেত্ৰত আগবঢ়োৱা দৃষ্টান্তমূলক বৰঙণিৰ বাবে টোগদান ঋণপচেক মৰোনোত্তৰভাৱে পদ্মভূষণ প্ৰদান কৰা হয়। ইপিনে, হাতী সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসমৰ হস্তী বিশেষজ্ঞ পাৰ্বতী বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হয়।

oooooooo

থেলাছেমিয়া ৰোগৰ বিষয়ে জনসাধাৰণক সজাগ আৰু সতৰ্ক কৰাৰ উদ্দেশ্যে যোৱা বুধবাৰে সমগ্ৰ বিশ্বতে থেলাছেমিয়া দিৱস উদযাপন কৰা হয়। প্ৰতিবছৰে ৮ মে'ৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। জিনীয় বিসঙ্গতিৰ বাবে তেজৰ লোহিত ৰক্তকণিকাৰ উৎপাদন কমি যোৱা এই ৰোগ সন্দৰ্ভত বিশ্বজুৰি সজাগতা সৃষ্টিৰ উপৰি এনে ৰোগীৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰোৱাৰ বাবে এই দিৱস পালন কৰা হয়।

oooooooo

শ্ৰীশ্ৰী দামোদৰ দেৱৰ ৪২৬ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে যোৱা বুধবাৰে ৰাজ্যৰ বিভিন্ন স্থানত কাৰ্যসূচী গ্ৰহণ কৰা হয়। মহাপুৰুষজনাই স্থাপন কৰা বৰপেটা জিলাৰ আদিসত্ৰ পাটবাউসীত ৭ দিনীয়া কাৰ্যসূচীৰে তিথি পালন কৰা হৈছে। বন্তি প্ৰজ্বলন, থিয়নাম পৰিবেশন আদি কাৰ্যসূচীৰে গোন্ধ যাত্ৰা অনুষ্ঠিত কৰাৰ পাছত মূল তিথি পালন কৰা হয়। শ্ৰীশ্ৰীদেৱ দামোদৰ সংঘৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভক্তসকলে শোভাযাত্ৰা কৰি গুৰুজনাৰ আদিসত্ৰখনত পৰম্পৰাগত ৰীতি-নীতিৰে কৰভাৰ প্ৰদান কৰে। তদুপৰি প্ৰসংগ, আয়তিৰ নাম আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাজুলীৰ দক্ষিণপাত গৃহাশ্ৰমী সত্ৰতো দামোদৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়।

এয়াই আছিল বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিসমূহত আলোকপাত।

ooooooo

**সমাপ্ত**